## কেচি দাস কমাৰ্চ কলেজৰ আলোচনা-চক্ৰত দিগন্ত বিশ্ব শৰ্মা

# ভাৰতীয় জ্ঞান-পৰম্পৰাৰ ইতিহাস ৫ হাজাৰ বছৰীয়া

**ৰাজ্যৰ শতাধিক শিক্ষক গৱেষক-শিক্ষাৰ্থীয়ে গৱেষণা-পত্ৰসহ কৰিছে অংশগ্ৰহণ**



**গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কেচি দাস কমাৰ্চ কলেজত 'ভাৰতীয় জ্ঞান পৰম্পৰাঃ উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক বহুমুখী অভিগমন' শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ আৰম্ভ হৈছে। আলোচনা-চক্ৰত অসমৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ পৰা শতাধিক শিক্ষক, গৱেষক আৰু শিক্ষাৰ্থীয়ে নিজৰ গৱেষণা-পত্ৰসহ অংশগ্ৰহণ কৰিছে। আজি মহাবিদ্যালয়খনৰ আলোচনাকক্ষত ১০ পৃষ্ঠাত

# ভাৰতীয় জ্ঞান-পৰম্পৰাৰ ইতিহাস ৫ হাজাৰ

অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত বীজ ভাষণ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ সদ্যনিযুক্ত সংযুক্ত অধ্যাপক দিগন্ত বিশ্ব শৰ্মাই। ভাষণ প্ৰসংগত শৰ্মাই কয় যে মানুহৰ জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় আচাৰ-অনুষ্ঠান, নীতি-নিয়মৰ উপৰি ৰাজধৰ্ম, গাৰ্হস্থ্য ধৰ্ম, সন্ন্যাস ধৰ্ম, ইতিহাস, দৰ্শন, চিকিৎসাবিদ্যা, আয়ুৰ্বেদ, উদ্ভিদবিদ্যাৰ প্ৰাথমিক জ্ঞান, যোগ, ব্ৰত আদিবিষয়ক জ্ঞান-বিজ্ঞানৰ চৰ্চা ভাৰতবৰ্ষত প্ৰাচীন কালৰে পৰা চলি আহিছে। নতুন শিক্ষা পদ্ধতিয়ে পৰম্পৰাগত এই জ্ঞান ভাণ্ডৰক বিশেষ গুৰুত্ব প্ৰদান কৰিছে। অনুষ্ঠানটিৰ আৰম্ভণিতে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° হৃষীকেশ বৰুৱাই আদৰণী ভাষণ প্ৰসংগত কয় যে ‘ৰাষ্ট্ৰীয় শিক্ষা নীতি’ অনুসৰি ‘ভাৰতীয় জ্ঞান পৰম্পৰা’বিষয়ক জ্ঞান ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিবলৈ হ’লে প্ৰথমে শিক্ষকসকলে এই বিষয়ে অধ্যয়ন কৰিব লাগিব। সেই উদ্দেশ্য আগত ৰাখিয়েই আলোচনা-চক্ৰৰ আয়োজন কৰা হৈছে। আলোচনা-চক্ৰত ক্ৰমে আৰ্য বিদ্যাপীঠ কলেজ, সদৌ অসম সত্ৰ মহাসভা আৰু হৰেকৃষ্ণ মুভমেণ্ট, গুৱাহাটীয়েও সহযোগী হিচাপে অংশগ্ৰহণ কৰিছে। তেওঁলোকৰ তৰফৰ পৰা ক্ৰমে আৰ্য বিদ্যাপীঠ কলেজৰ অধ্যক্ষ ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্য, সদৌ অসম সত্ৰ মহাসভাৰ ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক গৌতমানন্দ গোস্বামী আৰু হৰেকৃষ্ণ মুভমেণ্টৰ উপ-সভাপতি পণ্ডিত বিজয় প্ৰভুৱে ভাষণ প্ৰদান কৰে। আলোচনা-চক্ৰখনৰ উদ্বোধনী অনুষ্ঠানৰ অাঁত ধৰে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী তথা আলোচনা-চক্ৰৰ সমন্বয়ক ড° স্বপ্নাস্মৃতি মহন্তই। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত কেইবাখনো শৈক্ষিক সত্ৰ আজি অনুষ্ঠিত হয় আৰু কাইলৈও কেইবাখনো শৈক্ষিক সত্ৰ অনুষ্ঠিত হ’ব।